অধ্যায় ৪ ঃ সতী জয়মতী, দ্বিতীয় প্ৰৱাহ (১-১৫ শ্লোক)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ মূল সংস্কৃত পাঠ (শ্লোক ১-১৫)
৪.৩.১ শ্লোকসমূহৰ অন্বয়, অন্বয়ার্থ আৰু অসমীয়া অনুবাদ
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্ৰগতিৰ খতিয়ান
৪.৭ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- 'সতী জয়মতী'ৰ দ্বিতীয় প্ৰৱাহৰ ১৫টা শ্লোক পঢ়িব পাৰিব
- শ্লোকসমূহৰ মূল পাঠ তথা অন্বয় বুজিব পাৰিব
- শ্লোকসমূহৰ অন্বয়ার্থ আৰু অনুবাদ পঢ়িব পাৰিব
- গদাপাণি আৰু জয়মতীৰ বিষয়ে অবগত হ'ব পাৰিব
- গদাপাণিৰ বিবাহৰ বৰ্ণনা উপভোগ কৰিব পাৰিব।

৪.২ পৰিচয়

ইতিমধ্যে আপুনি আগৰ অধ্যায়ত সতী জয়মতী কাব্যৰ প্ৰথম প্ৰবাহৰ বিষয়বস্তুৰ লগত পৰিচয় হৈ আহিছে। চুকাফাৰ বীৰত্ব তথা চুকাফাৰ কৰ্মৰ বিষয়ে কিছু কথা ইতিমধ্যে জানিব পাৰিছে। ইয়াৰ উপৰিও প্ৰথম প্ৰবাহত থকা শ্লোকসমূহৰ সংস্কৃত পাঠ, শব্দাৰ্থ, তথা অসমীয়া অনুবাদ পঢ়িবলৈ সমৰ্থ হৈছে। চুকাফা আছিল ধৈৰ্যশীল আৰু পৰাক্ৰমী। তেওঁ সৌমাৰপীঠলৈ আহি মটক ৰজাক পৰাজিত কৰি কামপীঠত আনন্দেৰে শাসন কৰিবলৈ ধৰিলে। নিজৰ ভাষা ত্যাগ কৰি তেওঁ কামপীঠ ৰাজ্যৰ ভাষা গ্ৰহণ কৰিছিল। চুকাফাই প্ৰতিষ্ঠা কৰা বংশটোক 'আহোম' নামেৰে জনা যায়। এই জগৎ বিখ্যাত আহোম বংশত গোবৰ নামেৰে এজন ধৰ্মকাৰ্যত নিপুণ ৰজাৰ আবিৰ্ভাৱ হৈছিল। এওঁৰ পুত্ৰৰ নাম হৈছে গদাপাণি।

'সতী জয়মতী' খণ্ডকাব্যখনৰ দ্বিতীয় প্ৰবাহত গদাপাণিৰ জন্ম। তেওঁৰ শৈশৱ, তথা তেওঁৰ জয়মতীৰ সৈতে বিবাহৰ বৰ্ণনা পোৱা যায়। এই অধ্যায়টোত আপুনি দ্বিতীয় প্ৰবাহৰ প্ৰথম শ্লোকৰ পৰা ১৫ নং শ্লোকলৈ অধ্যয়ন কৰিব পাৰিব। শ্লোকসমূহৰ মূল সংস্কৃত পাঠ, অন্বয়, অন্বয়ার্থ আৰু অসমীয়া অনুবাদ সম্পৰ্কে অবগত হ'ব পাৰিব।

৪.৩ মূল সংস্কৃত পাঠ (শ্লোক ১-১৫)

তস্মিন্ বশে জগতি বিদিতে গোবৰাখ্যো নৰেশ
আর্ভূিতঃ সুখকুলযুতো ধর্মকার্য্যে প্রবীণঃ।
সৌখ্যং যাতে ৰুচিৰদিবসে বিংশমাত্রে স্বৰাজ্যে
শত্রু তস্মৈ শুভজনপতিং ধ্বস্তৱন্তৌ সুগুপ্তম্।। ১।।
ৰাজ্ঞস্তস্য প্রথিতযশসো বালপুত্রঃ সুবুদ্ধি
ৰাসীত্সিদ্ধো বিমলবপুষা হৃষ্টপুষ্টো ভৱিষ্ণুঃ।
কালে যস্মিন্ নৃপতিমৰণে শোকসংবিগ্নচিত্তা
ৰাজ্ঞী তস্যাস্তনয়বদনং বীখ্য হৃষ্টা বভূৱ।। ২।।
জ্যোতির্ৱেত্তা গণনকুশলঃ স্বাগতম্বৈ বিদায়
প্রোচে পুত্রে যদিহ ভবিতা বিক্রমে ভীমতুল্যঃ।
ৰাজ্ঞো যোগঃ স্ফূৰিতি চৰণে পদ্মচিহ্নপ্রকৃষ্টে
সংসাৱ্যেস্মিন্ ভবতু বিজয়ী ত্বদ্গদাপাণিৱেৱম্।। ৩।।
বাল্যেমেন্দঃ পৰমচতুৰঃ ক্রীড়কো গ্রাম্যবালৈ-
র্ম্মোদং প্রাপ্তঃ সখিজনপৰঃ স্মিতহাস্যপ্রসন্নঃ।
তস্য স্নেহং পৰিণয়গতং বীক্ষ্য ক্রীড়াবধুট্যাম্
নাৰীবৃন্দং খলু পুলকিতং হৃষ্টবদ্বাল্যভাৱৈঃ।। ৪।।
প্রাপ্তঃ কালে তৰুণপদৱীং শৈর্য্যবীর্য্যপ্রধানঃ
পূর্ণোভাগ্যে হসিতবদনঃ স্বাস্থ্যবাংশ্চাৰুনেত্রঃ।
জানুপ্রস্থং দৃঢ়ভুজযুগং লোমযুক্তঞ্চ বক্ষো
ধত্তে সোয়ং প্রকৃতিবিমলঃ সর্ব্বলোকৈঃ প্রশস্যঃ।। ৫।।
মন্দাক্রান্তা কৰভসদৃশৈর্যাতবদ্ভিঃ কুমাৱৈ-
র্ম্মন্যে স্নেহাদ্ভণতি বসুধা মিষ্টবাণ্যা সুমন্দম্।
ৱে ৱে বৎস প্রবলৰিপবে নীতিৱেষা হ্যমন্দা
কিন্তু স্নিগ্ধে সহজসুখদে ভীতিমাত্রং ন দর্শ্যম্।। ৬।।
দৃষ্ট্বা মাতা তনয়বদনে যোগ্যতাৰুণ্যচিহ্নম্
লব্ধুমৈচ্ছদ্ধধুটিকুসুমং সর্ব্বদা শান্তিকামা।
সন্তানস্য প্রণয়ৰচনে স্বর্গতুল্যা পৃথিব্যাম্
মাত্যাবশ্যম্ভৱতি পৰমা ব্যাকুলা বৈ বিবাহে।। ৭।।
গত্যাং হংসী সুভগবদনা দীর্ঘকেশা সুবেশা
মধ্যে ক্ষীণা কমলনয়না বস্ত্রকার্য্যে প্রবীণা।
কাচিদ্বলা বিমলদশনা শুভ্রবর্ণা বিশুদ্ধা,
প্রাপ্তা তস্মৈ খলু জয়মতী নাম যা বৈ বিভর্ত্তি।। ৮।।

মান্যে বংশে ভবননিকটে পদ্মিনী পূর্ণৱ্দপা
দুঃখাদাপ্যা গণয়তি মুদা পুত্রমাতা কিলৈবম্।
তস্মাদ্রাজ্ঞী কুসুমনিবহৈঃ শোভিতায়াং ধৱিত্রাম্
ৱম্যে কালে সুতপৱিণয়ে যুক্তকার্য্যা বভূৱ।। ৯।।
তস্যা সূনোঃ সহচৱগণৈর্গীতবাদ্যপ্রসক্তে
র্ব্বাদ্যং ৱুদ্দ্ধা চপলহসিতৈঃ স্থাপ্যমানাং বিতণ্ডাম্।
শ্রুত্বা লোকো হসননিৱতো মোদমাত্রং তনোতি
প্রেমানন্দে ভবতি সকলো হাস্যবিশ্বাসভূমিঃ।। ১০।।
স্ত্রীণাং বাক্যং বদনগলিতং শ্রোত্রপেয়ং যতো বৈ
ধাতা যত্নং বহতি বিপুলং যোষিতাং সৃষ্টিকালে।
সদ্যশ্চাস্মিন্ মিলতি ভবনে ষোড়শীনাং সহস্রম্
মন্যে সর্ব্বা মদনললনাঃ কামৱাজ্যস্য যোগ্যাঃ।। ১১।।
লাজান্দত্ত্বা ৱুচিৱধৱলান্ শুভ্রহস্তাজ্জযাযা
লগ্ন্যেক্ষীণে জ্বলিতদহনে ৱক্ষিতে সম্মুখে চ।
মন্ত্রেণাজ্যং স্রুৱপৱিমিতং ব্রাহ্মণাল্লব্দ্ধৱাচা
বহ্নৌ দত্তং শিৱফলময়ং তেন ৱাজ্ঞঃ সুতেন।। ১২।।
নাৱীবৃন্দৈঃ পৱিণয়মথৈ দম্পতীমঙ্গলার্থম্
জোকাৱাখ্যৈর্ম্মধুৱনিনদৈর্ব্যাপ্তমাকাশবর্ত্ম।
গানং সুষ্ঠু প্রণয়ৱচিতং যুক্তমাঙ্গল্যপূর্ণম্
গীতঞ্চেত্থং শুভপৱিণয়ঃ শোষিতো জম্পতীভ্যাম্।। ১৩।।
লজ্জাৱত্যাঃ প্রথমৱচণং প্রাপ্য নানাপ্রৱন্ধৈ
র্ৱাজ্ঞঃ পুত্রো বিবুধৱসতৌ তুচ্ছতাঞ্চানুমেনে।
তস্যাঃ প্রেম্নঞ্চিৱপৱিমলং ঘ্রাতুকামঃ কুমাৱঃ
স্নেহৈর্ৱ্দ্ধং ললিতহৃদয়ং দত্তৱান্ দিব্যপত্ন্যৈ।। ১৪।।
যাদৃগ্বৃক্ষো মৃদুললতিকাং স্বাশ্রিতাং স্বস্য দেহে
দৃষ্টৱা শশ্ৱত্ পুলকিততনুর্ম্মুঞ্চতে মা কদাপি।
কিন্তু স্নেহং বহতি নিতৱাং স্নেহৱস্তু প্রদায়
ৱল্লীভূতা সৱলহৃদয়া স্ৱামিৱৃক্ষে তথৈৱ।। ১৫।।

৪.৩.১ শ্লোকসমূহৰ অন্ৱয়, অন্ৱয়ার্থ আৰু অসমীয়া অনুবাদ

১ নং শ্লোক

অন্ৱয় ঃ জগতি বিদিতে তস্মিন্ বংশে সুখকুলযুতো
ধর্মকার্যে প্রবীণঃ গোৱৱাখ্যো নশে আর্ভূতঃ।

স্বৰজ্যে বিংশমাত্রে ৰুচিৰদিৱসে সৌখ্যং যাতে
শত্রূ সুগুপ্তং শুভজনপতিং তং ধ্বস্তৱনেতৌ বৈ।।

অন্বয়ার্থ ঃ জগতি বিদিতে (জগত বিখ্যাত) তস্মিন্ বংশে [সেই (আহোম) বংশত] সুখকুলয্তো (নানা সুখ সম্পদশালী) ধর্মকার্যে প্রবীণঃ (ধর্মকার্য্যত নিপুণ) গোবৰাখ্যো (গোবৰ নামেৰে) নৰেশঃ (এগৰাকী ৰজাৰ) আবির্ভূতঃ (আবির্ভাৱ হৈছিল)। স্বৰাজ্যে (নিজৰ ৰাজ্যত) বিংশমাত্রে (মাত্রবিশ দিন) ৰুচিৰ দিৱসে (মনোহৰ দিন) সৌখ্যং যাতে (সুখেৰে অতিবাহিত কৰাৰ পিছত) শত্রূ (দুজন শত্রুৰে) সুগুপ্তং (গোপনে) শুভজনপতিং (ভাল নৰপতি) তং (তেওঁক) ধ্বংসৱন্তৌ (বধ কৰিলে)। বৈ (এইটো এটা পাদপূৰণার্থক নিপাত অর্থাৎ অব্যয়)।

অসমীয়া অনুবাদ ঃ জগতবিখ্যাত সেই আহোমবংশত গোবৰ নামেৰে এজন নানা সুখ-সম্পদশালী ধর্মকার্যত নিপুণ ৰজাৰ আবির্ভাৱ হৈছিল। নিজ ৰাজ্যত মনোহৰ দিন মাত্র বিশদিন কটোৱাৰ পিছত দুজন শত্রুৰে নৰপতিক গোপনে বধ কৰিলে।

২ নং শ্লোক

অন্বয় ঃ তস্য প্রথিতযশসঃ ৰাজ্ঞঃ সুবুদ্ধিঃ বালপুত্রঃ
আসীৎ, (সঃ) বিমলবপুষা হৃষ্টপুষ্টো সিদ্ধঃ ভৱিষ্ণুঃ।
যস্মিন্ নৃপতিমৰণে কালে শোকসংবিগ্নচিত্তা ৰাজ্ঞী
তস্যাঃ তনয়বদনং বীক্ষ্য হৃষ্টা বভূৱ।

অন্বয়ার্থ ঃ তস্য প্রথিতযশসঃ ৰাজ্ঞঃ (সেই বিপুল যশস্যাশালী ৰজাৰ) সুবুদ্ধিঃ (তীক্ষ্ণবুদ্ধিৰ) বালপুত্রঃ (এজন ল'ৰা) আসীৎ (আছিল, (সঃ, সেই পুত্রজন) বিমলবপুষা (সুন্দৰ শৰীৰধাৰী) হৃষ্টপুষ্টঃ (হৃষ্ট পুষ্ট) **সিদ্ধঃ** (সিদ্ধৰ দৰে) ভৱিষ্ণু (হ'ব ধৰিছিল)। যস্মিন্ (যেতিয়া) নৃপতিমৰণে (ৰজাৰ মৃত্যুত) কালে (সময়ত) শোকসংবিগ্নচিত্তা(শোকাতুৰ হৈ পৰা) ৰাজ্ঞী (ৰাণীয়ে) তস্যাঃ (তেওঁৰ) তনয়বদনং (পুত্রমুখৰ ফালে) বীক্ষ্য (চাই) হৃষ্টা) পৰম আহলাদিতা) বভূৱ (হৈছিল)।

অসমীয়া অনুবাদ ঃ সেই বিপুল যশস্যাশালী ৰজাৰ তীক্ষ্ণবুদ্ধিৰ এজন লৰা আছিল। সেই ল'ৰাজন সুন্দৰ শৰীৰধাৰী, হৃষ্ট-পুষ্ট সিদ্ধপুৰুষৰ দৰে হ'বলৈ ধৰিছিল। ৰজাৰ মৃত্যুৰ সময়ত শোকাতুৰ হৈ পৰা ৰাণীয়ে তেওঁৰ পুত্রৰ মুখৰ ফালে চাই পৰম সন্তোষ লাভ কৰিছিল।

সিদ্ধ ঃ দেৱযোনি বিশেষ। অর্থাৎ দেৱতাৰ পৰা সৃষ্টি হোৱা বিশেষ জীৱ। অণিমা, লঘিমা আদি গুণেৰে সমৃদ্ধ। অমৰকোষত এনেদৰে পোৱা যায়— 'পিশাচো গুহ্যকঃ সিদ্ধো ভূতো২মী দেৱযোনয়ঃ'।

৩ নং শ্লোক

অন্বয় ঃ গণনকুশলঃ জ্যোতির্ৱেত্তা স্বাগতং বিধায় ৱৈ প্রোচে, যদ্ ইহ পুত্রো বিক্রমে ভীমতুল্যঃ ভৱিতা। পদ্মচিহ্ন প্রকৃষ্টে চৰণে ৰাজ্ঞঃ যোগঃ স্ফুৰতি। এবং ত্বদগদাপাণিঃ অস্মিন্ সংসাৰে বিজয়ী ভৱতু।

অন্বয়ার্থ ঃ গণকুশলঃ (গণনাত সুনিপুণ) জ্যোতির্ৱেত্তা (জ্যোতিষী এজনে) স্বাগতং বিধায় (নিজেই শুভ আগমন কৰি) ৱৈ (পাদপূৰণার্থক অব্যয়, অর্থ নাই) প্রোচে (কৈছিল), যদ্ ইহ (যে এই) পুত্রঃ (পুত্রজন) বিক্রমে (পৰাক্রমত) ভীমতুল্য (ভীমৰ দৰে) ভৱিতা (হ'ব)। পদ্মচিহ্নপ্রকৃষ্টে (পদ্মচিহ্নযুক্ত উৎকৃষ্ট) চৰণে (ভৰি দুখনত) ৰাজ্ঞঃ যোগঃ (ৰাজযোগ) স্ফুৰতি (প্রকাশিত হৈছে)। এবং (মুঠৰ ওপৰত) ত্বদগদাপাণিঃ (তোমাৰ গদাপাণি) অস্মিন্ সংসাৰে (এই সংসাৰত) বিজয়ী ভৱতু (বিজয়ী হওঁক)।

অসমীয়া অনুবাদ ঃ গণনাত সুনিপুণ জ্যোতিষী এজনে নিজেই উপস্থিত হৈ ৰাজপুত্রৰ বিষয়ে এনেদৰে কৈছিল যে, এই ল'ৰাজন নিজৰ পৰাক্রমত ভীমৰ দৰে হ'ব। পদ্মচিহ্নযুক্ত উৎকৃষ্ট চৰণত ৰাজযোগ প্রকাশ পাইছে। মুঠৰ ওপৰত তোমাৰ গদাপাণি এই সংসাৰত বিজয়ী হওঁক।

৪ নং শ্লোক

অন্বয় ঃ (সঃ) বাল্যে অমন্দঃ পৰমচতুৰঃ (আসীৎ), (সঃ) ক্রীড়কঃ গ্রাম্যবালৈঃ (সহ ক্রীড়ন্) মোদং প্রাপ্তঃ সখিজন, পৰঃ স্মিতহাস্যপ্রসন্নঃ (প্রাপ্তঃ)। ক্রীড়াবধূট্যাং তস্য পৰিণয় গতং স্নেহং বীক্ষ্য নাৰীবৃন্দং (তস্য) বাল্যভাৱৈঃ হৃষ্টবৎ পুলকিতং খলু।

অন্বয়ার্থ ঃ [সঃ (তেওঁ)] বাল্যে (ল'ৰালি কালতেই) অসন্দঃ (উত্তম, তীক্ষ্নদী) পৰমচতুৰঃ (অত্যন্ত দক্ষ) [আসীৎ (আছিল)], [সঃ (তেওঁ)], ক্রীড়কঃ (ক্রীড়াসক্ত) গ্রাম্যৱালৈঃ (গাঁৱৰ ল'ৰাবোৰেৰে) [সহ ক্রীড়ন্ (সৈতে খেলা-ধূলা কৰি)] মোদং প্রাপ্তঃ (আনন্দ পাইছিল) সখিজনপৰঃ (বন্ধুপৰায়ণতাৰে) স্মিতহাস্যপ্রসন্নঃ (মিচিকিয়া হাঁহিৰে সন্তুষ্ট)। ক্রীড়াবধূট্যাং (দ'ৰা-কইনা খেলৰ কইনাৰ প্রতি) তস্য (তেওঁৰ) পৰিণয়গতং স্নেহং (বিবাহিত জনৰ দৰে স্নেহ) বীক্ষ্য (দেখি) নাৰীবৃন্দং (তিৰোতাসকল) বাল্যভাৱৈঃ (তেওঁৰ ল'ৰালি ভাবত) হৃষ্টবৎ

(আনন্দেৰে) পুলকিতং খলু (পুলকিত হৈ পৰিছিল)।

অসমীয়া অনুবাদ ঃ সেই ৰাজকুমাৰ ল'ৰালিকালতেই তীক্ষ্ণবী তথা অত্যন্ত দক্ষ আছিল। তেওঁ গাঁৱৰ ল'ৰাসকলৰ সৈতে খেলা-ধূলা কৰি মিচিকিয়া হাঁহিৰে তেওঁলোকৰ লগত বন্ধুত্ব স্থাপন কৰি পৰম আনন্দ পাইছিল। শিশুসকলে দৰা-কইনা খেলাৰ সময়ত কইনাৰ প্রতি তেওঁৰ প্রকৃত বিবাহিত জনৰ দৰেই প্রেম দেখি ওচৰত থকা তিৰোতাসকলো তেওঁৰ ল'ৰালি ভাবত আনন্দিত হৈ পুলকিত হৈ পৰিছিল।

৫ নং শ্লোক

অন্বয় ঃ কালে তৰুণপদবীং প্রাপ্তঃ, (সঃ) শৌর্য্যবীর্য্যপ্রধানঃ ভাগ্যে পূর্ণঃ, হসিত বদনঃ স্বাস্থ্যৱান্ চাৰুনেত্রঃ (সংজাতঃ)। সো২য়ং প্রকৃতি বিমলঃ সর্বলোকৈঃ প্রশস্যঃ (বালকঃ অধুনা) জানুপ্রস্থং দৃঢ়ভূজযুগং চ লোমযুক্তং বক্ষো ধত্তে।

অন্বয়ার্থ ঃ কালে (যথাসময়ত) [সঃ (তেওঁ গদাপাণিয়ে)], তৰুণ-পদবীং (যৌৱন অৱস্থা) প্রাপ্তঃ (লাভ কৰিলে)। শৌর্য্যবীর্য্য প্রধানঃ (শৌর্য্যবীর্য্য প্রধান) ভাগ্যে পূর্ণঃ (পৰম ভাগ্যবান) হসিতবদনঃ (হাস্যমুখৰ) চাৰুনেত্রঃ (সুন্দৰ চকুযুক্ত) [সংজাতঃ (হৈ পৰিল)]। সো২য়ং (সেই এই) প্রকৃতি বিমলঃ (নির্মল স্বভাৱৰ) সর্বলোকৈঃ (সকলোৰে দ্বাৰা) প্রশস্যঃ (প্রসংশিত) [বালকঃ অধুনা (ল'ৰাটোৱে এতিয়া)], জানুপ্রস্থং (আজানুলম্বিত) দৃঢ়ভূজযুগং (দৃঢ় বাহু যুগল) চ (আৰু) লোমযুক্তং (নোমযুক্ত) বক্ষঃ (বুকু) ধত্তে (ধাৰণ কৰিছে)।

অসমীয়া অনুবাদ ঃ যথা সময়ত তেওঁ (গদাপাণিয়ে) যৌৱন অৱস্থা লাভ কৰিলে। এতিয়া তেওঁ শৌর্য্যবীর্য্য প্রধান অর্থাৎ শক্তি সম্পন্ন, পৰম ভাগ্যবান, হাস্যমুখৰ তথা উজ্জ্বল চকুযুক্ত হৈ পৰিল। নির্মল স্বভাৱৰ আৰু সকলোৰে দ্বাৰা প্রশংসিত সেই ল'ৰাটোহে এতিয়া অজানুলম্বিত দৃঢ়বাহুযুগলেৰে তথা নোমযুক্ত বুকুৰে যৌৱন প্রাপ্ত হৈ উঠিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গোবৰ নামৰ ৰজাজন কোন বংশৰ আছিল?

.....

প্ৰশ্ন নং ২ ঃ কেইজন শত্ৰুৰে গোবৰক বধ কৰিছিল?

.....

প্ৰশ্ন নং ৩ ঃ গোবৰৰ পুত্ৰজনৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৪ ঃ গদাপাণিয়ে ৰজা হ'ব বুলি কোনে কৈছিল?

.....

প্ৰশ্ন নং ৫ ঃ 'চাৰুনেত্ৰ' শব্দটোৰ অৰ্থ কি?

.....

৬ নং শ্লোক

অন্বয় ঃ কৰভসদৃশৈঃ যাতৱদ্ভিঃ কুমাৰৈঃ মন্দাক্ৰান্তা বসুধা স্নেহাৎ মিষ্টৰান্যা সুমন্দং ভণতি-ৰে ৰে বৎস, প্ৰবলৰিপৰে এষা নীতি হি অমন্দা, কিন্তু স্নিগ্ধে সহজ-সুখদে ভীতিমাত্ৰং ন দৰ্শ্যম্।

অন্বয়াৰ্থ ঃ কৰভসদৃশৈঃ (পোৱালী হাতীৰ দৰে) যাতৱদ্ভিঃ (গমনশীল) কুমাৰৈঃ (কুমাৰ গদাপাণিৰ দ্বাৰা) মন্দাক্ৰান্তা (কিঞ্চিত নামি যোৱা) বসুধা (পৃথিৱীয়ে) স্নেহাৎ (মৰমতে) মিষ্টবাণ্যা (সুমধুৰ বাণীৰে) সুমন্দং (লাহে লাহে) ভণতি (ক'বলৈ ধৰিলে)— ৰে ৰে বৎস (হে বাছা)! প্ৰৱলৰিপৰে (প্ৰবল শত্ৰুৰ প্ৰতিহে) এষা নীতি হি (এই নীতি কেবল) অমন্দা (প্ৰযোজ্য), কিন্তু (কিন্তু) স্নিগ্ধে (মৰমীয়াল) সহজ সুখদে (আত্মীয়-স্বজনলৈ) ভীতি-মাত্ৰং (ভীতি মাত্ৰ) ন দৰ্শ্যম্ (দেখুওৱা অনুচিত)।

অসমীয়া অনুবাদ ঃ হাতী পোৱালীৰ দৰে গমনশীল কুমাৰ গদাপাণিৰ (খোজৰ) দ্বাৰা কিঞ্চিত হালি যোৱা পৃথিৱীয়ে মৰমেৰে সুমধুৰ বাণীৰে ধীৰে ধীৰে ক'বলৈ ধৰিলে— হে বাছা। প্ৰৱল শত্ৰুৰ প্ৰতিহে এই নীতি কেবল প্ৰযোজ্য অৰ্থাৎ এই শক্তি প্ৰযোজ্য, কিন্তু মৰমীয়াল আত্মীয়-স্বজনলৈ এই ভীতি প্ৰদৰ্শন কৰাতো অনুচিত।

৭ নং শ্লোক

অন্বয় ঃ সৰ্বদা শান্তিকামা মাতা তনয়বদনে যোগ্যতাৰুণ্য-চিহ্নং দৃষ্ট্বা বধুটিকুসুমং লব্ধুং ঐচ্ছৎ। পৃথিৱ্যাম্ স্বৰ্গতুল্যা মাতা সন্তানস্য প্ৰণয়ৰচনে অৱশ্যং বৈ পৰমা ব্যাকুলা ভৱতি।

অন্বয়াৰ্থ ঃ সৰ্বদা (সদায়ে) শান্তিকামা (শান্তি কামনা কৰা) মাতা (তেওঁৰ মাতৃয়ে) তনয়বদনে (পুত্ৰৰ মুখমণ্ডলত) যোগ্য তাৰুণ্য চিহ্নং (যৌৱনৰ উপযুক্ত চিনবোৰ) দৃষ্ট্বা (দেখিবলৈ পাই) বধূটিকুসুমং

(বোৱাৰীৰূপী ফুল এপাহ) লব্ধুং (লাভ কৰিবলৈ) ঐচ্ছৎ (বিচাৰিলে)। পৃথিব্যাম্ (পৃথিৱীত) স্বর্গতুল্যা (সৱগৰ সদৃশ) মাতা (জননীয়ে) সন্তানস্য (সন্তানৰ) প্রণয়ৰচনে (প্রণয় ধাৰাভূত বিবাহলৈ) অৱশ্যং বৈ (অৱশ্যেই) পৰমা ব্যাকুলা ভবতি (অতিশয় ব্যাকুল হৈ থাকে)।

অসমীয়া অনুবাদ ঃ সদায়ে শান্তি কামনা কৰা তেওঁৰ মাকে পুত্রৰ মুখ মণ্ডলত যৌৱনৰ উপযুক্ত চিনবোৰ দেখিবলৈ পাই বোৱাৰী স্বৰূপ ফুল এপাহ লাভ কৰিবলৈ বিচাৰিলে। পৃথিৱীত স্বর্গৰ সদৃশ জননীয়ে সন্তানৰ প্রেম ভাবাপন্ন বিবাহৰ বাবে অৱশ্যেই অতিশয় ব্যাকুল হৈ থাকে।

৮ নং শ্লোক

অন্বয় ঃ গত্যাং হংসী সুভগবদনা দীর্ঘকেশা সুৱেশা, মধ্যে ক্ষীণা কমলনয়না বস্ত্রকার্য্যে প্রবীণা, বিমলদশনা শুভ্রবর্ণা বিশুদ্ধা তস্মৈ খলু কাচিৎ বালা জয়মতী নাম বৈ বিভর্তি।

অন্বয়ার্থ ঃ গত্যাং হংসী (গমনত ৰাজহংসী) সুভগবদনা (সুন্দৰ মুখৰ) দীর্ঘকেশা (দীঘল চুলিৰে সমৃদ্ধা) সুবেশা (সুন্দৰ পোচাক-পৰিচ্ছেদেৰে আবৃতা), মধ্যে ক্ষীণা (ক্ষীণ ককালযুক্তা) কমলনয়না (পদুমৰ দৰে নয়নযুক্তা) বস্ত্রকার্য্যে প্রবীণা (কাপোৰ বোৱাত পাকৈত) বিমলদশনা (নিকা দাঁতযুক্তা) শুভ্রবর্ণা (বগা বৰণৰ) বিশুদ্ধা (পবিত্রশীলা) তস্মৈ (তেওঁৰ বাবে) খলু কাচিৎ বালা কোনো এজনী ছোৱালী) জয়মতী নাম বৈ বিভর্তি (জয়মতী নামৰ লাভ কৰিলে)।

অসমীয়া অনুবাদ ঃ তেওঁৰ বাবে জয়মতী নামৰ কোনো এগৰাকী ছোৱালী (বিবাহৰ বাবে) লাভ কৰিলে। সেই ছোৱালীজনী গমনত ৰাজহংসী, সুন্দৰ মুখৰ, দীঘল চুলিৰে সমৃদ্ধা, সুন্দৰ পোচাক-পৰিচ্ছেদেৰে আবৃতা, ক্ষীণ ককালযুক্তা, পদুমৰ দৰে চকুজুৰি, কাপোৰ বোৱাত পাকৈত, সুন্দৰ দাঁতশাৰীৰ, বগা বৰণৰ তথা পবিত্র চৰিত্রৰ আছিল।

৯ নং শ্লোক

অন্বয় ঃ মান্যে বংশে ভৱননিকটে পূর্ণৰূপা পস্মিনী দুঃখাৎ কিল এৱ আপ্যা, এবং পুত্রমাতা মুদা গণয়তি। তস্মাদ্ ৰাজ্ঞী কুসুমনিবহৈঃ ধৰিত্র্যাং শোভিতায়াং ৰম্যে কালে সুতপৰিণয়ে যুক্তকার্য্যা বভূৱ।

অন্বয়ার্থ ঃ মান্যে বংশে (উচ্চ বংশত) ভৱননিকটে (ঘৰৰ ওচৰত) পূর্ণৰূপা

(ৰূপৱতী) পদ্মিনী (পদ্মিনী গুণ যুক্তা ছোৱালী) দুঃখাৎ কিল এব আপ্যা (কষ্টৰেহে লাভ কৰা যায়), এবং (এনেদৰে) পুত্রমাতা (পুত্রৰ মাকে) মুদা (আনন্দেৰে) গণয়তি (গমি-পিতি চালে)। তস্মাদ্ (তাৰ পিছত) ৰাজ্ঞী (সেই ৰাণীয়ে) কুসুমনিবহৈঃ (পুষ্পসমূহেৰে) ধৰিত্র্যাং (পৃথিৱী) শোভিতায়াং (শোভিত) ৰম্য কালে (ৰমনীয় কালত অর্থাৎ বসন্তকালত) সুতপৰিণয়ে (পুত্রৰ বিবাহৰ বাবে) যুক্তকার্য্যা বভূব (কার্য্যত নিয়োজিত হ'ল)

অসমীয়া অনুবাদ ঃ ঘৰৰ সমীপৰ উচ্চবংশৰ ৰূপৱতী পদ্মিনী গুণৰ ছোৱালী অতি কষ্টেৰেহে লাভ কৰা যায়। এই বুলি মাকে নিজেই গমি-পিতি চালে। গতিকে পুষ্পসমূহেৰে পৃথিৱী শোভিত হোৱাৰ সময়ত অর্থাৎ বসন্তকালত মাকে পুত্র বিয়াৰ আয়োজন কৰিলে।



জানি থোৱা ভাল

পদ্মিনী ঃ চাৰি প্রকাৰৰ সুন্দৰী ৰমনীৰ ভিতৰত প্রথম বিধ। এই ৰমনীৰ কিছুমান লক্ষণ হৈছে— কমলনেত্রা, নাসিকাক্ষুদ্রৰন্ধ্রা, দীর্ঘকেশী, কৃশাঙ্গী, মৃদুবচন, সুশীলা তথা নৃত্যগীতানুৰক্তা। 'ৰতিমঞ্জৰী' নামৰ গ্রন্থত পদ্মিনীৰ লক্ষণ এনেদৰে দিয়া আছে—

'ভৱতি কমলনেত্রা নাসিকাক্ষুদ্রৰন্ধ্রা
অবিৰলকুচযুগ্মা চাৰুকেশী কৃশাঙ্গী।
মৃদুবচনসুশীলা গীতবাদ্যানুৰক্তা
সকলতনুসুবেশা পদ্মিনী পদ্মগন্ধা।।'

১০ নং শ্লোক

অন্বয় ঃ তস্যাঃ সূনোঃ গীতবাদ্যপ্রসক্তৈঃ সহচৰগণৈঃ ৰুদ্ধা বাদ্যং চপলহসিতৈঃ স্থাপ্যমানাং বিতণ্ডাং শ্রুত্বা হসননিৰতঃ লোকঃ মোদমাত্রং তনোতি। প্রেমানন্দে সকলঃ হাস্যবিশ্বাসভূমিঃ ভৱতি।

অন্বয়ার্থ ঃ তস্যাঃ (তেওঁৰ) সূনোঃ (পুত্রৰ) গীতবাদ্যপ্রসক্তৈঃ (গান-বাজনাত আসক্ত) সহচৰগণৈঃ (বন্ধুসকলৰ দ্বাৰা) ৰুদ্ধা বাদ্যং (বাদ্য বজোৱাৰ বন্ধ কৰি) চপলহসিতৈঃ (চঞ্চল হাঁহিৰে) স্থাপ্যমানাং (সৃষ্টি কৰা) বিতণ্ডাং (ব্যঙ্গকলহাদি) শ্রুত্বা (শুনি) হসননিৰতঃ (কেবল হাঁহিৰ জৰিয়তেই) লোকঃ (মানুহে) মোদমাত্রং তনোতি (আনন্দ বৃদ্ধি কৰিব পাৰিছিল)। প্রেমানন্দে (আন্তৰিকতা সমৃদ্ধ আনন্দৰ মাজত) সকলঃ (মানুহে)

হাস্যবিশ্বাসভূমিঃ ভবতি (হাঁহি বিশ্বাসৰহে পাত্র হয়)।

অসমীয়া অনুবাদ ঃ তেওঁৰ পুত্র গদাপাণিৰ গান-বাজনাত আসক্ত বন্ধুসকলে বাদ্য বজোৱা বন্ধ কৰি চঞ্চল হাঁহিৰে ব্যঙ্গ কলহাদি সৃষ্টি কৰিছিল। সেইবোৰ শুনিবলৈ পাই ওচৰত থকা মানুহবোৰে হাঁহি হাঁহিয়েই আনন্দ বঢ়াইছিল। বাস্তবিকতে, আন্তৰিকতা সমৃদ্ধ আনন্দৰ মাজত মানুহে হাঁহিৰেই বিশ্বাসৰ পাত্র হৈ পৰে।

১১ নং শ্লোক

অন্বয় ঃ যতঃ স্ত্রীণাং বদনগলিতং বাক্যং শ্রোত্রপেয়ং (অতঃ) যোষিতাং সৃষ্টিকালে ধাতা বিপুলং যত্নং বহতি। সদ্যঃ অস্মিন্ ভৱনে ষোড়শীনাং সহস্রং মিলতিঃ মন্যে সর্বা মদন ললনাঃ কামৰাজ্যস্য যোগ্যাঃ।

অন্বয়ার্থ ঃ যতঃ (যিহেতু) স্ত্রীণাং (নাৰীসকলৰ) বদনগলিতং (মুখৰ পৰা নিগৰিত) বাক্যং (বাক্য বা কথা) শ্রোত্রপেয়ং (শুনিবলৈ ভাললগা) [অতঃ (সেয়েহে)] যোষিতাং (স্ত্রীসকলৰ) সৃষ্টিকালে (সৃষ্টিৰ সময়ত) ধাতা (বিধাতাই) বিপুলং (যথেষ্ট) যত্নং বহতি (যত্ন কৰিব লগীয়া হৈছিল)। সদ্যঃ (বর্তমান) অস্মিন্ ভৱনে (এই বিয়াঘৰত) ষোড়শীনাং (ষোড়ষী গাভৰুসকলৰ) সহস্রং (এহেজাৰ) মিলতি (গোট খাইছে), মন্যে (এনেকুৱা মনত ভাব হৈছে) সর্বাঃ (সকলোবোৰ যুৱতী) মদন ললনাঃ (মদনৰ স্ত্রীৰ দৰে অত্যন্ত সুন্দৰ) কামৰাজ্যস্য যোগ্যাঃ (কামদেৱৰ ৰাজ্যৰহে যোগ্যা)।

অসমীয়া অনুবাদ ঃ যিহেতু তিৰোতাসকলৰ মুখৰ পৰা নিগৰিত কথা শুনিবলৈ সোৱাদ লগা, সেয়েহে (এইটো ভাবিব পাৰি যে) স্ত্রীসকলৰ সৃষ্টিৰ সময়ত বিধাতাই যথেষ্ট কষ্ট কৰিব লগীয়া হৈছিল। এতিয়া এই বিয়াঘৰত হেজাৰ গৰাকী ষোড়শী গাভৰু মিলিত হৈছে, মনত এনেকুৱা ভাব হৈছে যে, সকলোবোৰ যুৱতী মদনৰ স্ত্রীৰ দৰে অত্যন্ত সুন্দৰ তথা এওঁলোক কামদেৱৰ ৰাজ্যৰ বাবেহে যোগ্যা।



জানি থোৱা ভাল

১। যোষিতা ঃ 'অমৰকোষ'ত 'নাৰী' বুজোৱা ১১টা শব্দ প্রয়োগ দেখুওৱা হৈছে— স্ত্রী, যোষিত (যোষিতা), অবলা, যোষা, নাৰী, সীমন্তিনী, বধূঃ, প্রতীপদর্শিনী, বামা, বনিতা, মহিলা।

(অমৰকোষ, মনুষ্যবৰ্গ, ২)

২। ধাতা ঃ ধাতা অৰ্থাৎ সৃষ্টিকৰ্তা। 'ধাতা' শব্দৰ সমাৰ্থিক ২০টা শব্দ 'অমৰকোষ'ত দিয়া আছে। সেইবোৰ হৈছে— ব্ৰহ্মা, আত্মভূ, সুৰজ্যেষ্ঠ, পৰমেষ্ঠী, পিতামহ, হিৰণ্যগৰ্ভ, লোকেশ, স্বয়ম্ভু, চতুৰানন, ধাতা, অব্জযোনি, দ্রুহিন, বিৰিঞ্চি, কমলাসন, স্রষ্টা, প্রজাপতি, বেধা, বিধাতা, বিশ্বসৃট্, বিধি।

(অমৰকোষ, স্বৰ্গবৰ্গ, ১৬-১৭)

১২ নং শ্লোক

অন্বয় ঃ জয়ায়া শুভ্রহস্তাৎ ৰুচিৰধৱলান্ চ লাজান্ সন্মুখে ৰক্ষিতে জ্বলিতদহনে অক্ষীণে লগ্নে ব্রাহ্মণাত্ লব্ধবাচা মন্ত্রেণ স্রুবপৰিমিতং শিৱফলময়ং আজ্যং তেন ৰাজ্ঞঃ সুতেন বহ্নৌ দত্তম্।

অন্বয়ার্থ ঃ জয়য়া (জয়মতীৰ) শুভ্রহস্তাৎ (বগাবৰণৰ হাতৰ পৰা) ৰুচিৰধৱলান্ চ (মনোহৰ বগা) লাজান্ (আখৈবোৰ) সন্মুখে (সন্মুখত) ৰক্ষিতে (থকা) জ্বলিত দহনে (প্রজ্জ্বলিত অগ্নিত নিক্ষেপ কৰি) অক্ষিণে লগ্নে (শুভ লগ্নত) ব্রাহ্মণৰ পৰা লব্ধবাচা (আদেশ পোৱাৰ লগে লগে) মন্ত্রেণ (বৈদিক মন্ত্রেৰে) **স্রুৱ**পৰিমিতং (হোমবাৰিৰ জোখেৰে) শিৱফলময়ং (মঙ্গল ফলদায়ক) আজ্যং (ঘিউ) তেন ৰাজ্ঞঃ সুতেন (সেই ৰাজ কুমাৰে) বহ্নৌ দত্তম্ (অগ্নিত প্রদান কৰিলে)।

স্রুৱ ঃ আহুতি দিবলৈ প্রয়োগ কৰা এক প্রকাৰৰ হেতা। হোমবাৰি বুলিও ক'ব পাৰি।

অসমীয়া অনুবাদ ঃ জয়মতীৰ শুভ্রবৰণৰ হাতৰ পৰা ধুনীয়া বগা আখৈবোৰ সন্মুখত প্রজ্বলিত হৈ থকা অগ্নিত সেই ৰাজকুমাৰে অর্পণ কৰিলে। লগতে শুভ লগ্নত ব্রাহ্মাণৰ পৰা আদেশ লাভ কৰি বৈদিক মন্ত্র উচ্চাৰণেৰে হোমবাৰিৰ জোখেৰে মঙ্গল ফলদায়ক ঘিউ অগ্নিত প্রদান কৰিলে।

১৩ নং শ্লোক

অন্বয় ঃ পৰিণয়মঠে নাৰীবৃন্দৈঃ **দম্পতী**মঙ্গলার্থম্ জোকাৰাখ্যৈঃ মধুৰনিনাদৈঃ আকাশবর্ত্ম ব্যাপ্তম্। যুক্তং মঙ্গলপূর্ণং প্রণয়ৰচিতং গানং সুষ্ঠু গীতং চ। ইত্থং জম্পতীভ্যাং শুভপৰিণয়ঃ শোষিতঃ।

অন্বয়ার্থ ঃ পৰিণয়মঠে (বিবাহ মণ্ডপত থকা) নাৰীবৃন্দৈঃ (তিৰোতাসকলে) দম্পতী মঙ্গলার্থম্ (বৰ-কইনাৰ মঙ্গলৰ বাবে) জোকাৰাখ্যৈঃ (জোকাৰ নামৰ) মধুৰ নিনাদৈঃ (সুমধুৰ শব্দেৰে) আকাশবর্ত্ম (আকাশ পথ) ব্যাপ্তম্ (বিয়পাই পেলাইছিল)। যুক্তং (সময়

দম্পতী ঃ দম্পতী আৰু জম্পতী সমার্থক। ভার্য্যা আৰু স্বামী, পতি-পত্নীক একেলগে দম্পতী বুলি কোৱা হয়। জায়া চ পতিশ্চ জায়াপতী, দম্পতী, জম্পতী। 'ৰাজদন্তাদিষু পৰম্' পাণিনি সূত্র (২.২.৩১)ৰ দ্বাৰা দ্বন্দ্ব সমাস। ভট্টোজিদীক্ষিতৰ মতে 'জায়াশব্দস্য জম্ভাৱো দম্ভাবশ্চ বা নিপাত্যতে।'



জোকাৰ ঃ অসমীয়া বিবাহ আদি মাঙ্গলিক অনুষ্ঠানত তিৰোতাসকলে মুখেৰে কৰা ধ্বনি বিশেষ। উৰুলি, জয়ধ্বনি আদি ইয়াৰ পর্যায় বাচক শব্দ। Sound or shout expressing joy or emotion.

সাপেক্ষ) মঙ্গলপূর্ণম্ (মঙ্গলময়) প্রণয়ৰচিতং (প্রণয়ভাবৰ) গানং (গীত) সুষ্ঠু গীতং চ (সুন্দৰকৈ গাইছিল)। ইত্থং (এনেকৈয়ে) জম্পতীভ্যাং (দৰা-কইনাৰ) শুভপৰিণয় (শুভ পৰিণয়) শোষিতঃ (সমাপন হৈছিল)।

অসমীয়া অনুবাদ ঃ বিবাহ মণ্ডপত থকা তিৰোতাসকলে বৰ-কইনাৰ মঙ্গলৰ বাবে **'জোকাৰ'** নামৰ সুমধুৰ শব্দেৰে আকাশ-বতাহ মুখৰাই তুলিছিল আৰু যথোচিত মঙ্গলময় প্রণয় ভাবৰ গীতো সুন্দৰকৈ গাইছিল। এনেকৈয়ে দৰা-কইনাৰ শুভ পৰিণয় সমাপন হৈছিল।

১৪ নং শ্লোক

অন্বয় ঃ ৰাজ্ঞঃ পুত্রো নানাপ্রবন্ধৈঃ লজ্জাবত্যাঃ (জয়ায়া) প্রথমবচনং প্রাপ্য বিবুধবসতৌ চ তুচ্ছতাং অনুমেনে। তস্যাঃ প্রেম্নঃ চিৰপৰিমলং ঘ্রাতুকামঃ কুমাৰঃ স্নেহৈঃ বদ্ধং ললিতহৃদয়ং দিব্যপত্নৈঃ দত্তৰান্।

অন্বয়ার্থ ঃ ৰাজ্ঞঃ পুত্রো (ৰাজকুমাৰ গদাপাণিয়ে) নানা প্রবন্ধৈঃ (নানা কৌশলেৰে) লজ্জাৱত্যাঃ (জয়ায়া) লাজকুৰীয়া জয়াৰ (প্রথম বচনং (প্রথম কথাষাৰি) প্রাপ্য (লাভ কৰি) বিবুধবসতৌ (স্বর্গত বাস কৰাকো) চ তুচ্ছতাং (যেন তুচ্ছ অর্থাৎ অসাৰ বুলি) অনুমেনে (চিন্তা কৰিলে)। তস্যাঃ (তেওঁৰ অর্থাৎ জয়াৰ) প্রেম্নঃ (প্রেমৰ) চিৰপৰিমলং (শাশ্বত সৌৰভ) ঘ্রাতুকাম (ঘ্রাণ কৰিবলৈ) কুমাৰ (কুমাৰ গদাপাণিয়ে) স্নেহৈঃ বদ্ধং (চেনেহেৰে বান্ধি ৰখা) ললিত হৃদয়ং (মনোহৰ হিয়াখন) দিব্যপত্নৈ (দেৱৰূপী পত্নীলৈ) দত্তবান্ (আগবঢ়ালে)।

অসমীয়া অনুবাদ ঃ ৰাজকুমাৰ গদাপাণিয়ে নানা কৌশলেৰে লাজকুৰীয়া জয়াৰ পৰা প্রথম কথাষাৰি লাভ কৰি স্বর্গবাসৰ আনন্দকো অসাৰ বুলি অনুমান কৰিলে। তেওঁ অর্থাৎ জয়াৰ প্রেমৰ শাশ্বত সৌন্দর্য পান কৰিবলৈ কুমাৰ গদাপাণিয়ে চেনেহেৰে বান্ধি ৰখা মনোহৰ হিয়াখন দেৱপত্নীৰূপী পত্নীলৈ অর্পণ কৰিলে।

১৫ নং শ্লোক

অন্বয় ঃ যাদৃগ্ বৃক্ষঃ স্বস্য দেহে স্বাশ্রিতাং মৃদুললতিকাং দৃষ্ট্বা শশ্বত্ পুলকিততনুঃ কদাপি মা মুঞ্চতে, কিন্তু স্নেহবস্তু প্রদায় স্নেহং নিতৰাং বহতি, তথৈব সৰলহৃদয়া স্বামীবৃক্ষে বল্লীভূতা (সঞ্জাতা)।

অন্বয়ার্থ ঃ যাদৃগ্ বৃক্ষঃ (যেনেদৰে গছে) স্বস্য দেহে (নিজৰ শৰীৰত) স্বশ্রিতাং (আশ্রয় লোৱা) মৃদুললতিকাং (কোমল লতিকাক)

দৃষ্ট্বা (চাই) শশ্বৎ (সদায়) পুলকিততনুঃ (আনন্দিত হৈ নিজৰ শৰীৰ) কদাপি (কেতিয়াও) মা মুঞ্চতে (আঁতৰায় নানে), কিন্তু (কিন্তু) স্নেহবস্তু প্ৰদায় (নিজৰ ৰস আদি দান কৰি) স্নেহং (মৰম, চেনেহ) নিতৰাং (সদায়ে) বহতি (বহন কৰি থাকে), তথৈৱ (তথা + এব, তেনৈকৈয়ে) সৰলহৃদয়া (সৰল হৃদয়ৰ জয়াই) স্বামীবৃক্ষে (স্বামীৰূপী বৃক্ষত) বল্লীভূতা (এজুপি লতা হৈ) (সঞ্জাতা = পৰিবেষ্টিত হৈ থাকিল)।

অসমীয়া অনুবাদ ঃ যেনেদৰে বৃক্ষই নিজৰ শৰীৰত আশ্রয় লোৱা কোমল লতিকাৰ (লতাৰ) ফালে চাই আনন্দিত হৈ নিজৰ শৰীৰক কেতিয়াও (সেই লতিকাৰ পৰা) আঁতৰাই নানে, কিন্তু নিজৰ ৰস আদি প্ৰদান কৰি (সেই লতাক) মৰমেৰে নিতৌ বহন কৰি থাকে, ঠিক তেনেকৈ সৰল হৃদয়ৰ জয়াই স্বামীৰূপী বৃক্ষত এজুপি লতাৰ দৰে আশ্রিত হৈ থাকিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ গদাপাণিৰ বিবাহৰ বাবে কোনে অতি ব্যাকুল হৈছিল ?

.....

প্রশ্ন নং ৭ ঃ গদাপাণিৰ পত্নীৰ নাম কি আছিল ?

.....

প্রশ্ন নং ৮ ঃ জয়মতীৰ চকুযুৰি কেনেকুৱা আছিল ?

.....

প্রশ্ন নং ৯ ঃ কোন সময়ত গদাপাণিৰ বিবাহৰ আয়োজন হৈছিল ?

.....

প্রশ্ন নং ১০ ঃ গদাপাণিৰ বিয়াৰ কোনে 'জোকাৰ' দিছিল ?

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- 'সতী জয়মতী'ৰ দ্বিতীয় প্ৰৱাহৰ ১-১৫ শ্লোকসমূহ পঢ়িব পাৰিলে।
- শ্লোকসমূহৰ মূল সংস্কৃত পাঠ তথা অন্বয় বুজিব পাৰিলে।

- শ্লোকসমূহৰ অন্বয়ার্থ আৰু অনুবাদৰ লগত চিনাকী হ'ব পাৰিলে।
- গদাপাণিৰ শৈশৱ তথা জয়মতীৰ বিবাহৰ বিষয়ে জানিব পাৰিলে।



৪.৫ অধিক জানিবলৈ

১) শর্মা, (ড°) দীপক কুমাৰ, (২০০৫), *ভৱদেৱভাগবতিনঃ সতী জয়মতী,* নলবাৰী, কিতাপঘৰ।

২) ভাগৱতী, ভৱদেৱ, (১৯৯৮), *সতী জয়মতী,* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা, কলা, সংস্কৃতি সংস্থা (তৃতীয় প্রকাশ)।

৩) গোস্বামী, (ড°) মালিনী, (১৯৯৮), *অসমত সংস্কৃত চর্চাৰ ইতিহাস,* গুৱাহাটী ঃ অসম সাহিত্য সভা।



৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আহোম বংশৰ।

২ নং প্রশ্নৰ উত্তৰ ঃ দুজন গোপন শত্রুৱে।

৩ নং প্রশ্নৰ উত্তৰ ঃ গদাপাণি।

৪ নং প্রশ্নৰ উত্তৰ ঃ এজন জ্যোতিষীয়ে।

৫ নং প্রশ্নৰ উত্তৰ ঃ সুন্দৰ চকুযুক্ত।

৬ নং প্রশ্নৰ উত্তৰ ঃ গদাপাণিৰ মাতৃয়ে।

৭ নং প্রশ্নৰ উত্তৰ ঃ জয়মতী।

৮ নং প্রশ্নৰ উত্তৰ ঃ পদুম ফুলৰ দৰে।

৯ নং প্রশ্নৰ উত্তৰ ঃ বসন্ত কালত।

১০ নং প্রশ্নৰ উত্তৰ ঃ আয়তীসকলে।



৪.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ গোবৰে কিমান দিন ৰাজশাসন কৰিছিল?

প্ৰশ্ন ২ ঃ 'সিদ্ধ' শব্দটোৰ অৰ্থ কি?

প্ৰশ্ন ৩ ঃ দৰা-কইনা খেলত গদাপাণিয়ে কি কৰিছিল?

প্ৰশ্ন ৪ ঃ গদাপাণিৰ বিবাহত কোনে গান-বাজনা কৰিছিল?

প্ৰশ্ন ৫ ঃ 'দিব্যপত্নী' বুলি কাৰ কথা কোৱা হৈছে?

খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ গদাপাণিৰ শৈশৱৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ জয়মতীৰ সৌন্দৰ্য কাব্যখনত কেনেদৰে প্ৰকাশ পাইছে, চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ গদাপাণিৰ বিবাহৰ এটি বৰ্ণনা দিয়ক।

প্ৰশ্ন ২ ঃ ব্যাখ্যা কৰক—

শ্লোক সংখ্যা — ৮, ১০, ১১।

*** ***** ***